# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 28-08-2024

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

এন আৰ চিৰ খচৰা প্ৰস্তুতকৰণৰ পৰিপ্ৰেক্ষিতত জাৰি কৰাৰ প্ৰক্ৰিয়া বন্ধ কৰি ৰখা অসমৰ ৯ লাখ ৩৫ হাজাৰ ৬৮২ জন লোকৰ আধাৰ কাৰ্ড জাৰি কৰি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে।সাংবাদিসকলক সম্বোধন কৰি তেওঁ কয় যে, এন আৰ চিৰ বায়'মেট্ৰিক নথি গ্ৰহণৰ সৈতে সম্পৰ্কীত কাৰিকৰী কাৰণত ২০১৯ চনৰ ফেব্ৰুৱাৰীৰ পৰা আগষ্ট মাহ পৰ্যন্ত আধাৰ কাৰ্ড প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়া ব্যাহত হৈ আছিল। বিষয়টোক লৈ ইতিপূৰ্বে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰাৰ উপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ পাছত কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট সকলো দিশ বিবেচনা কৰি বন্ধ হৈ থকা আধাৰ কাৰ্ডসমূহ সক্ৰিয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলত ৰাজ্যখনৰ ৯ লাখ ৩৫ হাজাৰৰো অধিক লোকে পৰৱৰ্তী ১৫ৰ পৰা ৩০ দিনৰ ভিতৰত তেওঁলোকৰ আধাৰ কাৰ্ডসমূহ লাভ কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই জানিবলৈ দিয়ে।

ইফালে এন আৰ চিৰ খচৰা প্ৰস্তুতকৰণৰ সময়ত বায়'মেট্ৰিক তথ্য প্ৰদানৰ সংক্ৰান্তত পূৰ্বে ব্যাহত ৰখা আধাৰ কাৰ্ড প্ৰদানৰ প্ৰক্ৰিয়া পুনৰ আৰম্ভ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তক বিভিন্ন দল-সংগঠনে আদৰণি জনাইছে। ভাৰতীয় গোৰ্খা পৰিসংঘই আজি গৃহ মন্ত্ৰালয়ৰ এই সিদ্ধান্তক আদৰণি জনাই কয় যে, ইয়াৰ ফলত এক লাখ গোৰ্খা সম্প্ৰদায়ৰ লোককে ধৰি ৯ লাখ ৩৫ হাজাৰৰো অধিক লোক উপকৃত হ'ব। সংগঠনটোৱে লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকো ধন্যবাদ জ্ঞাপন কৰে।

ooooo

অসম-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰি দিয়াৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ আজিৰ প্ৰশ্নোত্তৰকালত অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই সদনত এই বিষয়ে প্ৰকাশ কৰি কয় যে, সীমা সুৰক্ষা আৰু উন্নয়ন বিভাগৰ পৰা লাভ কৰা তথ্য অনুসৰি ধুবুৰী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সীমান্তৰ ১৪১ কিলোমিটাৰৰো অধিক অঞ্চল তথা কাছাৰ জিলাৰ ২৭ কিলোমিটাৰৰো অধিক অঞ্চল ছীল কৰা হৈছে। কৰিমগঞ্জ জিলাৰ সীমান্ত অঞ্চলৰ ২৮ দশমিক ৩ কিলোমিটাৰ এলেকাৰ ভিতৰত সম্প্ৰতি কেৱল ৪ দশমিক ৩-৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলেকাতহে কাঁইটীয়া তাঁৰৰ বেৰৰ কাম সম্পূৰ্ণ কৰিবলৈ বাকী আছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে। বেৰ দিবলৈ বাকী থকা নদী অঞ্চলসমূহ সৰ্বাত্মক সংহত সীমান্ত ব্যৱস্থাপনাৰ দ্বাৰা চোৱাচিতা কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে।

ooooo

চলিত বছৰৰ ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটা দেশৰ ৫০ গৰাকী কৃতী শিক্ষকলৈ আগবঢ়োৱা হৈছে। ডিব্ৰুগড়ৰ চিচিয়া বকুলনী ছোৱালী হাইস্কুলৰ সহকাৰী শিক্ষক দ্বীপেন খনিকৰেও এই বঁটা লাভ কৰিছে। শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে এই বঁটাৰ বাবে বাছনি লাভ কৰা শিক্ষকগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে দেশৰ ৫০ গৰাকী কৃতী শিক্ষকৰ মাজত স্থান লাভ কৰি শ্ৰী খনিকৰে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনক গৌৰৱান্বিত কৰিছে বুলি মন্তব্য কৰে। ইফালে শিক্ষকগৰাকীৰ সফলতাত বিদ্যালয়খনত আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰিছে।

০০০০০

গোলাঘাট জিলা আৰক্ষী প্ৰশাসনৰ উদ্যোগত আজি জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত নাৰ্ক সমন্বয় কেন্দ্ৰৰ জিলা পৰ্যায়ৰ এখন বৈঠকত অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ আয়ুক্ত ডা০ পি উদয় প্ৰবীণে নিচামুক্ত গোলাঘাট গঢ়ি তোলাৰ বাবে কেইবাটাও দিশত আলোকপাত কৰে। তদুপৰি জিলাখনৰ সীমান্ত অঞ্চলকে ধৰি অন্যান্য অঞ্চলসমূহত মাদক দ্ৰব্য সৰবৰাহ ৰোধ কৰাৰ বাবে আৰক্ষীয়ে গ্ৰহণ কৰা ব্যৱস্থাসমূহ বৈঠকত পৰ্যালোচনা কৰা হয়। এই বৈঠকতে জিলাখনৰ কেইবাটাও নিচামুক্তি আৰু পুনৰ সংস্থাপন কেন্দ্ৰৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়। জিলাখনৰ শিক্ষানুষ্ঠানসমূহত মাদক দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিবলৈও এই বৈঠকত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০

শোণিতপুৰ জিলাত চলিত বছৰৰ জুন মাহত সমাপ্ত হোৱা ত্ৰৈমাষিকত বিভিন্ন চৰকাৰী আঁচনি, বেংক সেৱা আৰু কাম-কাজ পৰ্যালোচনা কৰিবলৈ জিলা পৰামৰ্শদাতা সমিতি আৰু জিলা পৰ্যায়ৰ পৰ্যালোচনা সমিতিৰ এখন বৈঠক আজি আয়ুক্তৰ কাৰ্যালয় অনুষ্ঠিত হয়। এই বৈঠকত চৰকাৰৰ বিভিন্ন আঁচনি তথা সামাজিক সুৰক্ষা আঁচনিৰ অধীনত জিলাখনৰ প্ৰতিটো বেংকৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই সময়মতে আৱেদন নিষ্পত্তি কৰাৰ ওপৰত গুৰুত্ব দি সংশ্লিষ্ট বিভাগ আৰু বেংকৰ মুৰব্বীসকলক সমন্বয় ৰক্ষা কৰি কাম কৰি যাবলৈ নিৰ্দেশ দিয়ে। তদুপৰি ঋণৰ আৱেদন নাকচ কৰাৰ সময়ত নাকচৰ কাৰণ সঠিকভাৱে উল্লেখ কৰাৰ লগতে খণ্ড পৰ্যায়ৰ পৰ্যালোচনা সভাত বেংকৰ অংশগ্ৰহণ বৃদ্ধি কৰিবলৈ আয়ুক্তগৰাকীয়ে পৰামৰ্শ দিয়ে।

০০০০০

ধেমাজি জিলা প্ৰশাসনে আজি ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনি আৰোহণৰ মেণ্টৰ আৰু মেণ্টি অৰ্থাৎ পৰামৰ্শদাতা আৰু পৰামৰ্শ গ্ৰহণকাৰীসকলৰ মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতোপন হাজৰিকা আৰু জিলাখনৰ আয়ুক্ত অংকুৰ ভৰালীয়ে এই অনুষ্ঠানত ভাষণ দিয়ে। অনুষ্ঠানত সমল ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন বিষয়ৰ ওপৰত অনুপ্ৰেৰণাদায়ক পৰামৰ্শ প্ৰদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰশ্নোত্তৰ প্ৰতিযোগিতাৰ আয়োজন কৰি শুদ্ধ উত্তৰ দিওঁতাক পুৰস্কাৰ প্ৰদান কৰা হয়।

০০০০০

সমাপ্ত